## সংবিধান

**প্ৰস্তাৱনা ঃ** ভা ৰতৰ সংবিধানৰ ধৰ্ম নিৰেপক্ষ, গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ আদৰ্শক সাৰোগত কৰি এক ঐক্যবদ্ধ, শক্তিশালী আৰু সমৃদ্ধিশালী সমাজ গঢ়ি তুলিবলৈ সাংবাদিকসকলৰ মনত হাহাকাৰ কৰি তথা সাংবাদিকসকলৰ উন্নতি আৰু তেওঁলোকৰ বিভিন্ন সমস্যা সমাধান কৰিবলৈ আজি ২৮ ডিচেম্বৰ, ২০১৭ তাৰিখে এখন ৰাজহুৱা সভাৰ জৰিয়তে এই সংবিধান গ্ৰহণ কৰিছো। সমগ্ৰ ভাৰতবৰ্ষৰ জাতি-জনগোষ্ঠীৰ বৰ্ণ, ভাষা, ধৰ্মৰ প্ৰতিজন সাংবাদিকৰ জীৱন আৰু সম্পত্তি নিৰাপত্তাৰ নিশ্চয়তা প্ৰদান কৰি প্ৰতিজন সাংবাদিকৰ পূৰ্ণ বিকাশৰ আৰু সামূহিক সপোনক বাস্তৱত ৰূপ দিবলৈ এই সন্থাৰ জন্ম দিয়া হৈছে। দেশৰ সকলো সাংবাদিকৰ বাবে সাজাজিক, অৰ্থনৈতিক ন্যায় প্ৰদানৰ বাবে সন্থা বদ্ধপৰিকৰ।

**অনুচ্ছেদ ১**

**১.১ নাম ঃ** নৰ্থ ইষ্ট জাৰ্ণেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থা। ইংৰাজীত North East Journalist & Digital Media Association.

**পতাকা ঃ** এটা ৰঙা বৃত্তৰ ভিতৰত আন এটা ৰঙা বৃত্ত। এই দুয়োটা বৃত্তৰ মাজত ইংৰাজী আৰু নিজ ৰাজ্যৰ মাতৃভাষাত সন্থাৰ নাম ঘূৰণীয়াকৈ লিখা থাকিব। মাজৰ বৃত্তৰ ভিতৰত ভাৰতৰ উত্তৰ-পূবৰ মেপখন থাকিব। মেপৰ সোঁফালে পাখি কলম থাকিব। বৃত্ত দুটাৰ ৰং ৰঙা আৰু উত্তৰ-পূবৰ মেপখনৰ ৰং ৰঙা থাকিব। লগতে মেপৰ ওপৰৰ অংশত বেঙুনীয়া ৰং থাকিব।

**১.২ কৰ্মক্ষেত্ৰ ঃ** এই সংবিধান গ্ৰহণৰ দিনা সমগ্ৰ উত্তৰ-পূবৰ ভৌগোলিক মানচিত্ৰ সামৰি লোৱা এলেকা।

**১.৩ পঞ্জীয়নকৃত কাৰ্যালয় ঃ**

১ নং বাৰুৱতী, ডাক ঃ বেতনীপাম, জিলা ঃ ধেমাজি, অসম, পিন ঃ ৭৮৭০৫৯

**মুখ্য কাৰ্যালয় ঃ**

চন্দ্ৰপুৰ ৰ'ড, গুৱাহাটী-২৬

**অনুচ্ছেদ ২**

**লক্ষ্য আৰু উদ্দেশ্য**

21 সমগ্ৰ উত্তৰ-পূবতে গ্ৰাম প্ৰতিষ্ঠা কৰা, অন্ধবিশ্বাস মুক্ত, কু-সংস্কাৰ মুক্ত, সাম্প্ৰদায়িকতা মুক্ত, বিজ্ঞান মনস্কৰ চিন্তাৰে এক সমৃদ্ধি শিক্ষিত সমাজ গঢ়াটোৱে সন্থাৰ কাম্য।

২.২ সুস্থ সাংবাদিকতাৰৰে দেশৰ সৰ্বোত উন্নয়নত গুৰুত্ব আৰোপ কৰা।

**অনুচ্ছেদ ৩**

**সদস্য ভৰ্ত্তি আৰু সদস্যৰ দায়িত্ব আৰু কৰ্তব্য**

(ক) অতি কমেও ২০ বছৰ বয়সৰ অথবা কোনো প্ৰতিষ্ঠানৰ পৰা পৰিচয়পত্ৰ লাভ কৰাৰ পাছত সন্থাৰ সদস্য হ'ব পাৰিব।

(খ) সন্থাৰ সদস্য হ'বৰ বাবে সন্থাৰ সংবিধানৰ নীতি, আদৰ্শ, লক্ষ্য-উদ্দেশ্য আৰু কৰ্মসূচীক সমৰ্থন কৰিব লাগিব।

(গ) সদস্য হ'বলৈ বিচৰা ব্যক্তিজন আন কোনো সাংবাদিক সংগঠনৰ সদস্য হ'ব নোৱাৰিব। নিজস্ব সংবিধান আৰু কৰ্মসূচী থকা কোনো দল অথবা সাম্প্ৰদায়িক সংগঠনৰ লগত জড়িত থাকিব নোৱাৰিব।

(ঘ) কেন্দ্ৰীয় সমিতিৰ অজ্ঞাতে কোনো ৰাজ্যিক সমিতি বা জিলা সমিতিয়ে সন্থাৰ ল'গ', পতাকা পৰিৱৰ্তন কৰিব নোৱাৰিব। তেনে কাৰ্য কৰিলে কেন্দ্ৰীয় সমিতিয়ে আইনী ব্যৱস্থা ল'ব পাৰিব।

(ঙ) সন্থাৰ ত্যাগ কৰি যোৱা কোনো ব্যক্তিয়ে সন্থাৰ একে নামেৰে সংগঠন জন্ম দিব নোৱাৰিব আৰু ল'গ' ব্যৱহাৰ কৰিব নোৱাৰিব। এনে কাৰ্য কৰিলে সন্থাই আইনী ব্যৱস্থা কৰিব পাৰিব।

**অনুচ্ছেদ ৪**

**সদস্যৰ কাৰ্যকাল আৰু ভৰ্ত্তি মাচুল**

**৪.১** সদস্যই নিম্ন লিখিত ধৰণেৰে মাচুল আদায় দিলে নিজৰ কাৰ্যকাল বৰ্তাই ৰাখিব পাৰিব। কোনো সদস্যই মাচুল আদায় নিদিয়াকৈ বাৰ্ষিক অধিৱেশন বা সন্থাৰ আন কোনো কাৰ্যসূচীত অংশগ্ৰহণ কৰিব নোৱাৰিব।

**৪.২** (ক) সদস্য পদ গ্ৰহণৰ বাবে ২৫০ টকা আদায় দিব লাগিব।

(খ) সদস্যই মাহেকীয়া মাচুল ১৫০ টকা আদায় দিব লাগিব।

(গ) মাহেকীয়া মাচুলৰ পৰিবৰ্তে বছৰেকীয়া মাচুল ২৪০০ টকা আদায় দিব পাৰিব।

(ঘ) পাঁচ বছৰৰ বাবে মাচুল ১০,০৫১ টকাৰ আদায় দিব পাৰিব।

(ঙ) আজীৱন সদস্য হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে ২৫,০০০ টকাৰ আদায় দিব লাগিব।

(চ) বছৰেকীয়া, পাঁচ বছৰ বা আজীৱন সদস্য পদ গ্ৰহণ কৰোতাই মাহেকীয়া মাচুল আদায় দিব নালাগে।

**৪.৩** জিলা সমিতিয়ে সদস্যৰ ভৰ্ত্তি মাচুলৰ আদায় সম্পৰ্কত কেন্দ্ৰীয় সমিতিক অৱগত কৰিব লাগিব। সদস্য ভৰ্ত্তিকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় সমিতিয়ে নিৰ্দ্ধাৰণ কৰি দিয়া ৰচিদ বহী ব্যৱহাৰ কৰিব পাৰিব। জিলা সমিতিয়ে নিজাববীয়াকৈ কোনো সদস্য ভৰ্ত্তিৰ ৰচিদ বহী প্ৰস্তুত কৰিব নোৱাৰিব।

**৪.৪** সদস্য ভৰ্ত্তিৰ পৰা হোৱা ধনৰ ৩০ শতাংশ জিলা সমিতিয়ে ৰাখিব পাৰিব। বাকী ৭০ শতাংশ কেন্দ্ৰীয় সমিতিত জমা দিব লাগিব।

**৪.৫** সদস্য ভৰ্ত্তিৰ মাচুলৰ পৰিমান সালসলনিৰ ক্ষেত্ৰত সাধাৰণ সভাই সিদ্ধান্ত কৰিব।

**অনুচ্ছেদ ৫**

**সন্থাৰ গঠন আৰু সদস্যৰ দায়িত্ব**

**৫.১** সন্থাৰ গঠনৰ ক্ষেত্ৰত সদস্যৰ মতামতৰ ওপৰত ভিত্তি কৰা হ'ব। সদস্যসকলে নিৰ্বাচিত কৰা সদস্যক দায়িত্ব দিব।

**৫.২** জিলা, ৰাজ্যিক আৰু কেন্দ্ৰীয় সমিতি—এই তিনি ভাগত সন্থা গঠন হ'ব।

**৫.৩** কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি ৰাজ্যিক আৰু জিলা সমিতি গঠন কৰা হ'ব।

**৫.৪** সন্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিজন স্থায়ী সভাপতি হিচপে থাকিব। তেওঁ দায়িত্ব এৰিব বিচাৰিলে সাধাৰণ সভাত অৱগত কৰিব লাগিব।

**৫.৪** সন্থাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া হ'ল

উপদেষ্ট—৫

আইন উপদেষ্টা—৩

সভাপতি—১

কাৰ্যকৰী সভাপতি—৪

উপ সভাপতি—৪

সাধাৰণ সম্পাদক—১

সহকাৰী সম্পাদক—৪

বিত্ত সম্পাদক—১

সাহিত্য সম্পাদক—১

সাংগঠনিক সম্পাদক—১৪

কাৰ্যনিবাহক সদস্য—১৫

**৫.৫** সন্থাৰ ৰাজ্যিক সমিতিৰ বিষয়ববীয়া হ'ল

সভাপতি—১

কাৰ্যকৰী সভাপতি—১

উপ সভাপতি—২

সাধাৰণ সম্পাদক—১

সহকাৰী সম্পাদক—২

বিত্ত সম্পাদক—১

সাহিত্য সম্পাদক—১

সাংগঠনিক সম্পাদক—৫

কাৰ্যনিবাহক সদস্য—৯

**৫.৬** সন্থাৰ জিলা সমিতিৰ বিষয়ববীয়া হ'ল

সভাপতি—১

কাৰ্যকৰী সভাপতি—১

উপ সভাপতি—১

সাধাৰণ সম্পাদক—১

সহকাৰী সম্পাদক—১
বিত্ত সম্পাদক—১
সাহিত্য সম্পাদক—১
সাংগঠনিক সম্পাদক—১
কাৰ্যনিবাহক সদস্য—৫

**৫.৭ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ দায়িত্ব**

**সভাপতি ঃ** সন্থাৰ সকলো দিশত সাংবিধানিকভাৱে কৰ্ম কাৰ্যকৰী হোৱাৰ দিশত প্ৰতি সময়তে তীক্ষ্ণ দৃষ্টি ৰাখিব। কেন্দ্ৰীয় সমিতিৰ বিভিন্ন বিষয়ত সাধাৰণ সম্পাদকৰ লগতে আন বিষয়ববীয়াসকলৰ লগতো নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব। কাৰ্যনিবাহক সভা আয়োজনত সাধাৰণ সম্পাদকক অৱগত কৰিব। কোনো ৰাজ্যিক সমিতিয়ে নিজাববীয়াকৈ কাৰ্য কৰিলে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

**কাৰ্যকৰী সভাপতি ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাৰ্যভাৰ চলাই যাব। সাংগঠনিক দিশত মনোনিৱেশ কৰিব লাগিব। সন্থাৰ আন সদস্যসকলৰ লগত নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব।

**উপ সভাপতি ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাৰ্যভাৰ চলাই যাব। সভাপতি, কাৰ্যকৰী সভাপতিৰ লগত প্ৰতি সময়তে যোগাযোগ ৰাখি ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ লগত যোগাযোগ ৰখা বাধ্যতামূলক। সন্থাক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**সাধাৰণ সম্পাদক ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাম কৰিব লাগিব। সন্থাৰ সদস্যসকলৰ কাৰ্মৰ দিশত মনোনিৱেশ কৰিব। সন্থাক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। সময়ে সময়ে কাৰ্যনিবাহক সভা, প্ৰতিনিধি সভা আদি আয়োজন কৰিব লাগিব। এই সভা আয়োজনৰ ক্ষেত্ৰত সভাপতিৰ লগত যোগাযোগ ৰখা বাধ্যতামূলক।

**সহকাৰী সম্পাদক ঃ** সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগত নিতৌ সম্পৰ্ক ৰাখি সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহকাৰী সম্পাদকে কাৰ্যভাৰ চলাই যাব পাৰিব। সন্থাৰ উন্নতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**বিত্ত সম্পাদক ঃ** সন্থাৰ আৰ্থিক দিশত মনোনিৱেশ কৰিব লাগিব। সভাপতি, সাধাৰণ সম্পাদকৰ নিৰ্দেশ মৰ্মে সকলো হিচাপ ৰাখি যাব লাগিব। সাধাৰণ সভাত হিচাপ দাখিল কৰিব লাগিব। কাৰ্যনিবাহক সভাৰ অনুমোদন নকৰাকৈ কোনো হিচাপ সাধাৰণ সভাত দাখিল কৰিব নোৱাৰিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব।

**সাহিত্য সম্পাদক ঃ** সন্থাৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশত দায়িত্ব ল'ব লাগিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সভাপতি, সাধাৰণ সম্পাদকৰ নিৰ্দেশ মতে কৰ্মসূচী চলাই যাব লাগিব।

**সাংগঠনিক সম্পাদক ঃ** সন্থাৰ সাংগঠনিক দিশত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। সাংগঠনিক কামৰ প্ৰতিটো খতিয়ান সভাপতি, সাধাৰণ সম্পাদকক অৱগত কৰিব লাগিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব।

**কাৰ্যনিবাহক সদস্য ঃ** সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সভাপতি আৰু সাধাৰণ সম্পাদকৰ নিৰ্দেশ মতে কৰ্মত মনোনিৱেশ কৰিব লাগিব। সন্থাৰ সদস্য ভৰ্ত্তিৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব।

**উপদেষ্টা ঃ** উপদেষ্টাই সন্থাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি পৰামৰ্শ দিব। উপদেষ্টাই সন্থাৰ উন্নয়নৰ হকে সাংবিধানিক ব্যৱস্থা অনুসৰি কাম কৰিব পাৰিব। সকলো সময়তে সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগত যোগাযোগ ৰাখিব লাগিব।

**আইন উপদেষ্টা ঃ** আইন উপদেষ্টাই সন্থাৰ আইন সংক্ৰান্তিয় কামত সন্থাৰ সভাপতিক পৰামৰ্শ দিব। সমিতিৰ সদস্যই আইন বিৰুদ্ধ কাম কৰিলে কেন্দ্ৰীয় সভাপতিয়ে পদক্ষেপ লোৱাৰ সময়ত আইন উপদেষ্টাক অৱগত কৰি পৰামৰ্শ ল'ব।

**৫.৭ সন্থাৰ ৰাজ্যিক সমিতিৰ বিষয়ববীয়াৰ দায়িত্ব**

**সভাপতি ঃ** সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগত নিয়মীয়াকৈ যোগাযোগ ৰাখি পৰামৰ্শ গ্ৰহণ কৰিব লাগিব। ৰাজ্যিক সমিতিৰ সকলো দিশত সাংবিধানিকভাৱে কৰ্ম কাৰ্যকৰী হোৱা দিশত প্ৰতি সময়তে তীক্ষ্ণ দৃষ্টি ৰাখিব। সমিতিৰ বিভিন্ন বিষয়ত সাধাৰণ সম্পাদকৰ লগতে আন বিষয়ববীয়াসকলৰ লগতো নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব। কাৰ্যনিবাহক সভা আয়োজনত সাধাৰণ সম্পাদকক অৱগত কৰিব। কেন্দ্ৰীয় সমিতিক প্ৰটো দিশত অৱগত কৰাটো বাধ্যতামূলক।

**কাৰ্যকৰী সভাপতি ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাৰ্যভাৰ চলাই যাব। সাংগঠনিক দিশত মনোনিৱেশ কৰিব লাগিব। সন্থাৰ আন সদস্যসকলৰ লগত নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব।

**উপ সভাপতি ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাৰ্যভাৰ চলাই যাব। সভাপতি, কাৰ্যকৰী সভাপতিৰ লগত প্ৰতি সময়তে যোগাযোগ ৰাখি ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ লগত যোগাযোগ ৰখা বাধ্যতামূলক।

**সাধাৰণ সম্পাদক ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাম কৰিব লাগিব। সন্থাৰ সদস্যসকলৰ কাৰ্মৰ দিশত মনোনিৱেশ কৰিব। সন্থাক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। সময়ে সময়ে কাৰ্যনিবাহক সভা, প্ৰতিনিধি সভা আদি আয়োজন কৰিব লাগিব। এই সভা আয়োজনৰ ক্ষেত্ৰত সভাপতিৰ লগত যোগাযোগ ৰখা বাধ্যতামূলক।

**সহকাৰী সম্পাদক ঃ** সাধাৰণ সম্পাদকৰ লগত নিতৌ সম্পৰ্ক ৰাখি সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহকাৰী সম্পাদকে কাৰ্যভাৰ চলাই যাব পাৰিব। সন্থাৰ উন্নতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**সাহিত্য সম্পাদক ঃ** সন্থাৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশত দায়িত্ব ল'ব লাগিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সভাপতি, সাধাৰণ সম্পাদকৰ নিৰ্দেশ মতে কৰ্মসূচী চলাই যাব লাগিব। প্ৰকাশিত মুখপত্ৰ বা আন গ্ৰন্থ, আলোচনী আদি কেন্দ্ৰীয় সমিতিৰ ওচৰত জমা দিয়াটো বাধ্যতামূলক।

**সাংগঠনিক সম্পাদক ঃ** সন্থাৰ সাংগঠনিক দিশত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। সাগঠনিক কামৰ প্ৰতিটো খতিয়ান সভাপতি, সাধাৰণ সম্পাদকক অৱগত কৰিব লাগিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব।

**কাৰ্যনিবাহক সদস্য ঃ** সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সভাপতি আৰু সাধাৰণ সম্পাদকৰ নিৰ্দেশ মতে কৰ্মত মনোনিৱেশ কৰিব লাগিব। সন্থাৰ সদস্য ভৰ্ত্তিৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব।

**৫.৯ সন্থাৰ জিলা সমিতিৰ বিষয়ববীয়াৰ দায়িত্ব**

**সভাপতি ঃ** সন্থাৰ ৰাজ্যিক সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগত নিয়মীয়াকৈ যোগাযোগ ৰাখি পৰামৰ্শ গ্ৰহণ কৰিব লাগিব। জিলা সমিতিৰ সকলো দিশত সাংবিধানিকভাৱে কৰ্ম কাৰ্যকৰী হোৱা দিশত প্ৰতি সময়তে তীক্ষ্ণ দৃষ্টি ৰাখিব। সমিতিৰ বিভিন্ন বিষয়ত সাধাৰণ সম্পাদকৰ লগতে আন বিষয়ববীয়াসকলৰ লগতো নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব। কাৰ্যনিবাহক সভা আয়োজনত সাধাৰণ সম্পাদকক অৱগত কৰিব। কেন্দ্ৰীয় সমিতিক প্ৰটো দিশত অৱগত কৰাটো বাধ্যতামূলক।

**কাৰ্যকৰী সভাপতি ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাৰ্যভাৰ চলাই যাব। সাংগঠনিক দিশত মনোনিৱেশ কৰিব লাগিব। সন্থাৰ আন সদস্যসকলৰ লগত নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব।

**উপ সভাপতি ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাৰ্যভাৰ চলাই যাব। সভাপতি, কাৰ্যকৰী সভাপতিৰ লগত প্ৰতি সময়তে যোগাযোগ ৰখা বাধ্যতামূলক।

**সাধাৰণ সম্পাদক ঃ** সভাপতিৰ নিৰ্দেশ অনুসৰি কাম কৰিব লাগিব। সন্থাৰ সদস্যসকলৰ কাৰ্মৰ দিশত মনোনিৱেশ কৰিব। সন্থাক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। সময়ে সময়ে কাৰ্যনিবাহক সভা, প্ৰতিনিধি সভা আদি আয়োজন কৰিব লাগিব। এই সভা আয়োজনৰ ক্ষেত্ৰত সভাপতিৰ লগত যোগাযোগ ৰখা বাধ্যতামূলক।

**সহকাৰী সম্পাদক ঃ** সাধাৰণ সম্পাদকৰ লগত নিতৌ সম্পৰ্ক ৰাখি সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহকাৰী সম্পাদকে কাৰ্যভাৰ চলাই যাব পাৰিব। সন্থাৰ উন্নতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**সাহিত্য সম্পাদক ঃ** সন্থাৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশত দায়িত্ব ল'ব লাগিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সভাপতি, সাধাৰণ সম্পাদকৰ নিৰ্দেশ মতে কৰ্মসূচী চলাই যাব লাগিব। প্ৰকাশিত মুখপত্ৰ বা আন গ্ৰন্থ, আলোচনী আদি ৰাজ্যিক সমিতিৰ ওচৰত জমা দিয়াটো বাধ্যতামূলক।

**সাংগঠনিক সম্পাদক ঃ** সন্থাৰ সাংগঠনিক দিশত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। সাগঠনিক কামৰ প্ৰতিটো খতিয়ান সভাপতি, সাধাৰণ সম্পাদকক অৱগত

কৰিব লাগিব। সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব।

**কাৰ্যনিবাহক সদস্য ঃ** সন্থাৰ উন্নয়নৰ বাবে কাম কৰিব লাগিব। সভাপতি আৰু সাধাৰণ সম্পাদকৰ নিৰ্দেশ মতে কৰ্মত মনোনিৱেশ কৰিব লাগিব। সন্থাৰ সদস্য ভৰ্ত্তিৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব।

**অনুচ্ছেদ ৬**

**পুঁজি সংগ্ৰহ**

**৬.১** সন্থাৰ পুঁজি সংগ্ৰহৰ মূল উৎস সদস্য। সদস্য ভৰ্তিকৰণৰযোগে হোৱা আয় বাজেট সাপেক্ষে ব্যয় কৰিব পাৰিব।

**৬.২** কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সম্পাদকে যুটীয়াভাৱে দিয়া নিৰ্দেশ মতে ৰাজ্যিক সমিতিয়ে পুঁজি সংগ্ৰহ কৰিব পাৰিব।

**৬.৩** কোনো ৰাজ্যিক সমিতিয়ে নিজাকৈ বেংকত সন্থাৰ একাউণ্ট খুলিব নোৱাৰিব।

**৬.৪** কোনো সদস্যই বলপূৰ্বকভাৱে দান-বৰঙনি সংগ্ৰহ কৰিব নোৱাৰিব।

**অনুচ্ছেদ ৭**

**নিৰ্বাচন**

**৭.১** প্ৰতি পাঁচ বছৰৰ অন্তৰত সন্থাৰ কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব।

**৭.২** প্ৰতি পাঁচ বছৰৰ অন্তৰত সন্থাৰ ৰাজ্যিক সমিতি গঠন কৰা হ'ব। কেন্দ্ৰীয় সমিতিৰ পৰ্যৱেশৰ উপস্থিতিত ৰাজ্যিৰ সমিতি গঠন কৰিব লাগিব।

**৭.৩** প্ৰতি পাঁচ বছৰৰ অন্তৰত সন্থাৰ জিলা সমিতি গঠন কৰা হ'ব। কেন্দ্ৰীয় আৰু ৰাজ্যিক সমিতিৰ পৰ্যৱেশৰ উপস্থিতিত ৰাজ্যিৰ সমিতি গঠন কৰিব লাগিব।

**৭.৪** ৰাজ্যিক আৰু জিলা সমিতিৰ কামকাজত অসন্তুষ্ট হ'লে কেন্দ্ৰীয় সমিতিয়ে পদক্ষেপ আগবঢ়াব। জিলা সমিতিৰ কামকাজত অসন্তুষ্ট হ'লে ৰাজ্যিক সমিতিয়ে কেন্দ্ৰীয় সমিতিক অৱগত কৰিব লাগিব। কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু আইন উপদেষ্টাৰ নিৰ্দেশত জিলা আৰু ৰাজ্যিক সমিতিৰ কামকাজৰ ওপৰত ব্যৱস্থা ল'ব পাৰিব। এই ব্যৱস্থা কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু আইন উদেষ্টাই গ্ৰহণ কৰিব।

**৭.৫** নতুন সমিতি গঠনৰ ক্ষেত্ৰত কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সম্পাদকে আলোচনা কৰি সময় আৰু পৰিৱেশ নিৰ্দ্ধাৰণ কৰিব।

**অনুচ্ছেদ ৮**

**কাৰ্যনিবাহকৰ থুল**

**৮.১** কেন্দ্ৰীয়, ৰাজ্যিক আৰু জিলা সমিতিৰ কাৰ্যনিবাহক সভাত তিনিভাগৰ এক অংশ উপস্থিত হ'লেই সভা বৈধ হ'ব।

**অনুচ্ছেদ ৯**

**গঠন**

**৯.১** একোখন জিলা সমিতিৰ পৰা এজনকৈ ৰাজ্যিক সমিতিলৈ নিৰ্বাচন কৰা হ'ব। সেই সদস্যজনে ৰাজ্যিক সমিতিৰ কাৰ্যনিবাহকত স্থান লাভ কৰিব পাৰিব। তদুপৰি সেই সদস্যসকলক লৈ ৰাজ্যিক সমিতি গঠন কৰা হ'ব।

**৯.২** একোখন ৰাজ্যিক সমিতিৰ পৰা এজনকৈ কেন্দ্ৰীয় সমিতিলৈ নিৰ্বাচন কৰা হ'ব। সেই সদস্যজনে কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিবাহকত স্থান লাভ কৰিব পাৰিব। সেই সদস্যসকলক লৈ কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব।

**৯.৩** জিলা সমিতি সদস্যসকলৰ পৰাই গঠন কৰা হ'ব।

**অনুচ্ছেদ ১০**

**ভোটাধিকাৰ**

**১০.১** কাৰ্যনিবাহক সমিতিলৈ নিৰ্বাচিত সদস্যই ভোটাধিকাৰ লগভ কৰিব। কিন্তু সন্থাত ভোটদান প্ৰক্ৰিয়াত সৰ্বাধিক গুৰুত্ব দিয়া নহ'ব। বন্ধুত্বপূৰ্ণ আৰু ভাতৃত্বমূলকভাৱে সমিতি গঠন আৰু আন কাম কৰা হ'ব। অতি প্ৰয়োজনতহে ভোটদান ব্যৱস্থা থাকিব।

**১০.২** উপদেষ্টা আৰু আইন উপদেষ্টাৰ ভোটাধিকাৰ নাথাকে।

**১০.৩** সাধাৰণ সদস্যই ভোটাধিকাৰ লাভ নকৰে।

**অনুচ্ছেদ ১১**

**কাৰ্যনিবাহক সভা**

**১১.১** বছৰেকত কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিবাহক সভা চাৰিবাৰ অনুষ্ঠিত হ'ব।

**১১.২** কাৰ্যনিবাহক সভাৰ স্থান সভাপতি আৰু সম্পাদকে ঠিৰাং কৰিব।

**অনুচ্ছেদ ১২**

**সাধাৰণ সভা**

**১২.১** সাধাৰণ সভা বছৰেকত এবাৰ অনুষ্ঠিত হ'ব।

**১২.২** সাধাৰণ সভাৰ স্থান সভাপতি আৰু সম্পাদকে ঠিৰাং কৰিব।

**অনুচ্ছেদ ১৩**

**সংবিধান সংশোধন**

**১৩.১** সাধাৰণ সভাত সংবিধান সংশোধন কৰা হ'ব।

**১৩.২** ৰাজ্যিক বা জিলা সমিতিয়ে সংবিধান সংশোধন কৰিব নোৱাৰিব।

**১৩.৩** সংবিধান সংশোধন কেৱল কেন্দ্ৰীয় সমিতিয়েহে কৰিব পাৰিব।

**১৩.৪** সংবিধান সংশোধন কৰিব লগা হ'লে সভাপতি আৰু সম্পাদকৰ নিৰ্দেশ মতে কেন্দ্ৰীয় কাৰ্যনিবাহক সমিতিয়ে নিদ্ধাৰণ কৰা সংবিধান সংশোধন সমিতিয়ে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰিব।

**১৩.৫** সংবিধানৰ কোনো অনুচ্ছেদত কিবা সংশোধন কৰিব লগা হ'লে কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সম্পাদকক লিখিতভাৱে জনাব লাগিব। সেই লিখিত বিষয়টো কেন্দ্ৰীয় কাৰ্যানবাহক সভাত উপস্থাপন কৰি সংবিধান সংশোধন সমিতি গঠন কৰিব লাগিব।

**১৩.৬** সংবিধান সংশোধন সমিতি গঠন কৰাৰ সময়ত কেন্দ্ৰীয় সমিতিৰ দুজন উপদেষ্টা আৰু আইন উপদেষ্টাত অন্তভূক্ত কৰিব লাগিব।

**সামৰণি**

নৰ্থ ইষ্ট জাৰ্ণেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থা এটা স্বেচ্ছাসেৱী সাংবাদিক সংগঠন। এই সন্থাই নিতৌ ভাতৃত্ব আৰু বন্ধুত্ব মনোভাৱেৰে কাম কৰাত অগ্ৰহৰ হৈ যাব।